بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ১২এপ্ৰিল মছজিদ বায়তুল ফতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি মই যি সকল চাহাবাৰ বিষয়ে বৰ্ণনা কৰিম তেখেত সকলৰ প্ৰথমজন চাহাবী নাম হল হজৰত হজৰত হুছেইন বিন হাৰিছ (ৰাঃ) । বনু মুতালিব আবদে মুন্নাফৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল ।তেখেত ৰাঃ ৰ নিজৰ দুন ভায়েক হজৰত তফিল আৰু হজৰত উবেদাৰ লগত মদিনালৈ হিজৰত কৰিছিল।আঁহজৰত ছাঃ য়ে হজৰত হুছেইন আৰু আব্দুল্লা বিন জাবিৰৰ মাজত ভতৃত্ব বন্ধন পাতি দিছিল। হজৰত হুছেইন (ৰাঃ)য়ে যুদ্ধ বদৰ,অহুদ আদি কৰি সকলো যুদ্ধতেই ৰছুলে কৰিম (ছাঃ)ৰ লগত যোগ দিছিল । হিজৰি ৩২ চনত এখেত (ৰাঃ)ৰ মৃত্যু হয়।

আন এজন চাহাবী আছিল হজৰত চফুআন ৰাঃ এখেতৰ দেউতাকৰ নাম আছিল ওয়াহাব বিন ৰাবিয়া। এখেত ছাঃ আছিল কবিলা বনু হাৰিছ বিন ফহিৰৰ লোক। ৰছুলে কৰিম (ছাঃ) য়ে হজৰত চফুআনক হজৰত ৰাফিয়া বিন মুৱালাৰ ভাই বনাই দিছিল। এখেত (ৰাঃ) য়ে যুদ্ধ বদৰ আৰু আন আন যুদ্ধতও ৰছুলে কৰিম (ছাঃ) ৰ লগত যোগ দিছিল ।

ইয়াৰ পিছত আন এজন চাহাবীৰ নাম হল,হজৰত মুবাশ্বিৰ বিম আব্দুল মনজৰ (ৰাঃ) । এখেত ৰাঃ আউচ গোত্ৰৰ বনু উমৰু বিন আওফৰ সম্পৰ্কীয় লোক আছিল। ৰছুলুল্লাহ (ছাঃ) য়ে হজৰত মুবাশ্বিৰ বিম আব্দুল মনজৰ (ৰাঃ) আৰু হজৰত আকিল বিন আবু বকিৰ (ৰাঃ) ৰ মাজত ভতৃত্ব বন্ধন প্ৰতিষ্ঠা কৰি দিছিল । হজৰত মুবাশ্বিৰ (ৰাঃ) বদৰৰ যুদ্ধত শ্বহীদ হৈছে।এখেত ৰাঃ য়ে নিজৰ দুজন ভায়েক হজৰত আবু লুবাবা বিন আব্দুল মনজৰ আৰু হজৰত ৰফাআ বিন আব্দুল মনজৰৰ লগত বদৰৰ যুদ্ধত যোগ দিছিল । হজৰত আব্দুল্লাহ বিন উমৰু বিন হুৰাম ৰাঃ য়ে বৰ্ণনা কৰিছে যে মই অহুদৰ যুদ্ধৰ আগত সপিনত দেখিছিলো যে হজৰত মুবাশ্বিৰ বিম আব্দুল মনজৰ (ৰাঃ) যে মোক কৈ আছে যে তুমি কেইদিন মানৰ ভিতৰত আমাৰ ওচৰলৈ আহি যাবা;মই সুধিছিলো যে আপুনি যে আপুনি কত আছে । তেতিয়া তেখেতে কৈছিল য়ে মই জান্নাতত আছো । আমি জান্নাতত যি বিচাতো তাকেই খাওঁ আৰু পান কৰো। মই তেখেতক সুধিছিলো কিয় আপুনি বদৰৰ যুদ্ধত শ্বহীদ হোৱা নাছিলনে ? তেখেতে উত্তৰ দিছিল হয় কিন্তু মোক আকৌ জীৱিত কৰা হৈছে । হজৰত আব্দুল্লাহ (ৰাঃ) য়ে এই সপোনৰ বিৱৰণী ৰছুলুল্লাহ (ছাঃ) ক শুনাইছিল । তেতিয়া ৰছুলে পাক (ছাঃ) য়ে কৈছিল যে হে আবু জাবিৰ এয়াই হল শ্বাহাদত । শ্বহীদ সকলে আল্লাহ তায়ালাৰ ওচৰত যায় আৰু তাত গৈ মুক্ত বিৱৰণ কৰে। ইয়াৰ পিছৰ জন চাহাবীৰ নাম হল হজৰত ওৱাৰকা বিন আয়াছ (ৰাঃ) । এখেত আনছৰৰ কবিলা খজৰজৰ এটা শাখা বনু লুজান বিন গনিমৰ সম্পৰ্কীয় লোক আছিল ।হজৰত ওয়কা ৰাঃ য়ে নিজৰ দুজন ভায়েক হজৰত ৰাবিয়া আৰু হজৰত উমৰুৰ লগত বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰাৰ তৌফিক লাভ কৰিছিল । এখেত (ৰাঃ) য়ে একেধাৰে যুদ্ধ বদৰ,অহুদ,খন্দক আৰু আন আন যুদ্ধত আঁহজৰত (ছাঃ) ৰ লগত যোগ দিছিল ।হজৰত আবু বক্কৰ (ৰাঃ) ৰ খিলাফত কালত ইমামাৰ ৰণত চন ১১ হিজৰিত হজৰত ওয়াকা (ৰাঃ) য়ে শ্বাহাদত বৰণ কৰিছিল ।

আন এজন চাহাবীৰ আছিল হজৰত মুহাৰিজ বিন নাজিলা (ৰাঃ)। ৰছুলে কজিম (ছাঃ) য়ে হজৰত মুহাৰিজ বিন নাজিলা আৰু হজৰত উম্মাৰাহ বিন হিজামৰ মাজত ভাতৃত্ব বন্ধন বিশ্বাস স্থাপন কৰি দিছিল ।এখেত (ৰাঃ) য়ে যুদ্ধ বদৰ,অহুদ,খন্দক আদিত যোগদান কৰিছিল । হজৰত আবু বক্কৰ (ৰাঃ) য়ে দেখা সপোন অনুযায়ী এখেত (ৰাঃ) ক শ্বাহাদতৰ সুসংবাদ দিছিল ।হজৰত মুহাৰিজ (ৰাঃ) ৰ শ্বাহাদতৰ ঘটনা এনেদৰে বৰ্ণনা কৰা আছে ।হজৰত আয়াছ বিন ছালামা যিকাৰাদৰ সংঘৰ্ষৰ (যুদ্ধৰ) বিষয়ে বৰ্ণনা কৰোতে লিখিছে যে মোৰ দেউতাকে মোক কৈছে যে হুদায়বিয়াৰ সন্ধিৰ পিছত আমি মদিনালৈ ওভতি আহিবলৈ যাত্ৰা আৰম্ভ কৰিলো এনেতে আমি এঠাইত অৱস্থান কৰিছিলো ।তেতিয়া আমাৰ সেই ঠাহ আৰু বণু লিহাণৰ ঠাইৰ মাজত এখন পাহাৰ অৱস্থিত আছিল। যিজনে ৰাতি সেই পাহাৰৰ ওপৰত উঠি পহৰা দিব ৰছুলে কৰিম (ছাঃ) য়ে সেই ব্যক্তি জনৰ বাবে দোৱা কৰিলে। হজৰত ছালামা বিন আকওয়া (ৰাঃ) কৈছে যে মই সাই ৰাতিত দুই তিনিবাৰ পাহাৰত উঠিছিলো।আকৌ কৈছে যে ৰছুলে পাক (ছাঃ) য়ে ৰাবাহাক

নিজৰ উট আৰু তালহা (ৰাঃ) ৰ ঘোঁৰা চৰাবলৈ পঠাই দিয়ে। যাৰ লগত মইও গৈছিলো। যেতিয়া ৰাতি ফেহুজালি দিছিল তেতিয়া আব্দুৰ ৰহমান ফাজাৰি ইবনা ওয়াইনা নিজৰ দল-বল লৈ আহিঁ ৰছুলে কৰিম (ছাঃ) ৰ উট বিলাক কৰি নিয়ে আৰু ৰখিয়াজনক হত্যা কৰি পেলায়। ৰাবী কয় যে মই কৈছিলো হে ৰাবাহা এই ঘোঁৰাটো লোৱা আৰু ইয়াক তালহা বিন উবায়দুল্লাহক ছমজাই দিবা আৰু ৰছুলুল্লাহ (ছাঃ) ক খবৰ দিবা যে মুশৰিক সকলে তেখেতৰ উট বিলাক লুটি নিছে ।ইয়াৰ পিছত মই সেই লুণ্ঠনকাৰী লোক সকলৰ পিছ ললোঁআৰু তেওঁলোকৰ ওপজত সুবিধা বুজি তাৰ নিক্ষেপ কৰি থাকিব ধৰিলোঁ আৰু এই কবিতাটো পাঠ কৰিছিলো-আনা ইবনুল আকওয়া ওয়াল ইয়ামা ইয়াওমু ৰুজ্জায়ে,(অৰ্থ্যাৎ)-মই আকওয়াৰ পুত্ৰ,আৰু আজিৰ এই দিনটো দুষ্ট, কৃপন সকলৰ ধবংসজ দিন ।মই সেই লোকসকলৰ যিজনক পাইছিলো তাকেই লক্ষ্য কৰি তাক মাৰিছিলো,ইমানেই যে তাৰ কান্দত গৈ তাজ বিদ্ব হৈছিল। কৈছে যে আল্লাহৰ কছম মই সিহঁতক তাৰ নিক্ষেপ কৰিয়ে থকিছিলো আৰু আহঁত কৰি গৈছিলো আৰু মোৰ ফালে যেতিয়া কোনো অশ্বৰোহী চোচাঁ লৈছিল,মই গছৰ আৰঁত লুকাই পৰিছিলো আৰু তাক মাৰি ঘাইল কৰিঁছিলো । এনেদৰে গৈ গৈ যেতিয়া পাহাৰৰ চোৰাং বাটত উপস্থিত হৈছিলো আৰু তেওঁলোকে সেই বাটত সোমাই গেছিল যেতিয়া মই পাহাৰৰ ওপৰফালে উঠি গৈছিলো আৰু সিহঁতৰ শিল বৰ্ষন কৰিছিলো।এনাদৰে মই সিহঁতক খেদি গৈছিলো আৰু সিহঁতে উট বিলাক এৰি থৈ গৈছিল । কিন্তু মই সিহঁতলৈ তাৰ চলায় থকিছিলো,ইমানেই যে সিহঁতে নিজৰ ওজন কমাবলৈ ত্ৰিছখনৰো অধিক চাদৰ আৰু ত্ৰিশটা বৰ্শা পেলাই থৈ যায় । অৰ্থ্যাৎ সিহঁতে প্ৰথমে উট এৰি দিছিল পিছত নিজৰ বস্তুও এৰিবলৈ বাধ্য হৈ পৰিছিলম । যাতে সহজে দৌৰি পলাব পাৰে । এনেদৰে সিহঁতে যতবোৰ বস্তু এৰি পলাইছিল মই সেইবোৰৰ চিহ্ন ৰখিবলৈ বস্তুৰ ওপৰত পাথৰ চপাই ৰাখিছিলো যাতে ৰছুলুল্লাহ (ছাঃ) আৰু চাহাবা সকলে চিনিব পাৰে । তাৰ পিছত সিহঁতে ওয়াইনা ইবনে বদৰ ফাজাৰিৰ লোকৰ সৈতে পাহাৰৰব এখন সৰু ঘাটিত অৱস্থান কৰে আৰু তাত বহি আহাৰ আদি খাবলৈ লয়। ইফালে মই পাহাৰৰ এখন টিংলৈ উঠি গৈছিলো আৰু ফাজাৰিয়ে সুধিছিল সেই লোকজন কোন ? মই যাক দেখা পাই আছো সিহতে উত্তৰ দিয়ে যে এইজন লোকেই আমাক খেদি খেদি বিৰক্ত কৰি পালাইছে। খোদাৰ লগত এইজন পূৱাৰে পৰা আমাৰ ওপৰত তাৰ নিক্ষেপ কৰি আছে ইমানেই যে সি আমাৰ সকলো বস্তু কাঢ়ি লৈছে। ফাজাৰিয়ে কৈছিল তোমালোক চাৰিজন তাৰ ওচৰলৈ যোৱা উচিত। হজৰত ছালামা বিন আকওয়া কয় যে সিহঁতৰ পৰা চাৰিজন লোক মোৰ ফালে পাহাৰৰ সেই টিংলৈ উঠি আহিব ধৰিলে, যেতিয়া তেওঁলোক আহি প্ৰায় মোৰ ওচৰ পাইছলহি,তেতিয়া মই কৈছিলো যে তোমালোকে মোক চিনি পোৱানে ? তেওঁলোকে উত্তৰ দিছিল যে নহয় চিনি নাপাওঁ । তুমি কোন ? মই কৈছিলো যে মই ছালামা বিন আকওয়া হওঁ। সেই সত্তাৰ শপত লওঁ। যিজনাই মহম্মদ (ছাঃ) ক সন্মান দান কৰিছে । মই তোমালোকৰ মাজৰ যিজনকে দৰিব বিচাৰিম তাকেই ধৰিব পাৰিম কিন্তু তোমালোকৰ কোনোবাই মোক ধৰিব বিচাৰিলে নিশ্চয় ধৰিব নোৱাৰা। এই কথা শুনি সিহঁত চাৰিওঁজনে ওভতি যায় আৰু মই সেই ঠাইতেই বহি থাকো। এনেতে ৰছুলুল্লাহ (ছাঃ) ৰ ঘোঁৰা গছ-গছনিৰ ফাঁকেৰে আহি থকা দেখিবলৈ পাইছিলো। তেওঁলোকৰ সৰ্বাগ্ৰে আছিল হজৰত আখৰাম আহদি (ৰাঃ)। মই আখৰাম অৰ্থ্যাৎ হজৰত মুহাৰিজৰ ঘোঁৰাৰ লেকাম ধৰি কৈছিলো-তেওংলোক (কাফিৰ সকলে) সেয়া তাত বহি কিবা খাই আছিল,পিছত পিছ হুহকি পলাই গ,ল ।মই হজৰত মুহাৰিজক আৰু কৈছিলো যে তুমি কাফিৰ সকললৈ সাৰধান হিৱা মোৰ সন্দেহ হয়, তেওলোকে তোমাক কিজানি মাৰি পেলাব।সেয়ে তুমি ৰছুলুল্লাহ (ছাঃ) আৰু চাহাবা সকলে আহি নোপোৱালৈকে অপেক্ষা কৰা।মুহাৰিজ (ৰাঃ)য়ে কৈছিল হে ছালামা,যদি তুমি আল্লাহ আৰু আখেৰাতৰ ওপজত বিশ্বাস ৰাখা আৰু যদি তোমাৰ বিশ্বাস হয় যে জান্নাত সত্য, আৰু (দোজখৰ) অগ্নি সত্য তেন্তে তুমি মোৰ আৰু শ্বাহাদতৰ মাজত অন্তৰায় নহবা। তেতিয়া মই তাৰ ঘোঁৰাৰ লেকাম এৰি দিছিলো আৰু তেওঁ লগে লগে গৈ আব্দুৰ ৰহমান ইবনে উয়াইনাৰ ওপৰত আক্ৰমণ চলায় আৰু আব্দুৰ ৰহমান লগতে তাৰ ঘোঁৰাক আহঁত কৰি পেলায়। কিন্তু আব্দুৰ ৰহমান বৰ্শাৰে আঘাত হানি মুহাৰিজ (ৰাঃ) ক শ্বহীদ কৰি দিয়ে। লগে লগে হজৰত আবু কাতাদাহ (ৰাঃ) য়ে আব্দুৰ ৰহমানৰ পিছ লয় আৰু বৰ্শাৰে হত্যা কৰি পেলায়।হজৰত ছালামা কৈছে যে সেই সত্তাৰ শপত যিজনাই মহম্মদ (ছাঃ) ক মৰ্যাদা সম্পন্ন কৰিছে,মই দৌৰি দৌৰি কাফিৰ সকলৰ পিছ লৈছিলো। গৈ গৈ সূৰ্য্য অস্ত যোৱাৰ আগতে যি কাৰাদ নামৰ ঠাইত গৈ সিহঁতক পাইছিল।কাফিৰ সকল পিয়াহতুৰ হৈ পৰিছিল সেয়ে সিহঁতে পানীৰ ওচৰতে অৱস্থান কৰিছিল। কিন্তু তেওঁলোকে মোক সিহতৰ পিছে পিছে দৌৰি অহা দেখিবলৈ পাইছিল।মই সিহতক সেই ঠাইৰ পৰা আতোঁৰাই দিয়াত এটোপাল পানীও পান কৰিব পৰা নাছিল।সিহঁতে সেই ঠাইৰ পৰা ওলাই আন এটা ঘাটীৰ ফালে বেগেৰে যাবলৈ লয়।মইও পিছে পিছে গৈছিলো আৰু যিজনকেই পিছে পাইছিলো তাৰেই কান্ধত তীৰ মাৰিছিলো আৰু কৈছিলো যে মই আকওয়াৰ পুত্ৰ আৰু আজিৰ এই দিনটো দুষ্ট,কৃপন সকলৰ ধবংসৰ দিন ।কাফিৰজনে কৈছিল কিয় ৰাতিপূৱাৰআকওয়া নে ? যিয়ে পূৱাৰে পৰা আমাৰ পিছে পৰি আছে মই উত্তৰ দিছিলো হয় মোৰ প্ৰাণৰ শক্ৰ,তোৰ সেই

সেই পূৱাৰ আকবয়া তেওলোকে সেই ঠাইত দুটা ঘোঁৰা এৰি থৈ যায় মই সেই ঘোঁৰা দুটা আনি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত উপস্থিত হৈছিলো। ৰছুলুল্লাহ (ছাঃ) য়ে তেতিয়া সেই কাৰাদৰ ওচৰত অৱস্থান কৰি আছিল যৰ পৰা মই লুণ্ঠনকাৰী সকলক খেদি পঠিয়াইছিলো। মই মুশৰিক সকলৰ পৰা লৈ লৈছিলো। তাৰে পৰা এটা উটনি হজৰত বিলাল (ৰাঃ) য়ে জবই কৰিছে আৰু ৰছুলুল্লাহ (ছাঃ)ক কৈছিলো, ইয়া ৰছুলুল্লাহ মোক সৈন্য সকলৰ পৰা এশ জন সৈন্য বাছি লোৱাৰ অনুমতি দিয়ক মই সেই কাফিৰ সকলৰ পিছ লৈ আক্ৰমণ চলাই হত্যা কৰোঁ। ৰছুলুল্লাহ (ছাঃ) য়ে উচ্চস্বৰে হাহিঁছিল,ইমানেই যে জুইৰ পোহৰত তেখেত (ছাঃ) দন্ত সোৱাৰক জিকমিকাই উঠা দেখা গৈছিল,আৰু কৈছিল যে হে ছালামা,ভাবিছা নেকি যে তুমি এয়া কৰিব পাৰিবা ? মই কৈছিলো হয় পাৰিম সাই সত্তাৰ কছম যিজনাই আপোনাক সন্মান দান কৰিছে। তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল হে ইবনে আকওয়া তুমি যিহেতু জয়লাভ কৰিছা গতিকে সিঁহতক যাবলৈ দিয়া আৰু দয়ালু হোৱা। এতিয়া আৰু সিঁহতক পিছলৈ সিঁহতক হত্যা কৰি কি লাভ হব হুজুৰ আনোৱাৰ আইঃযে কৈছে যে এয়াই আঁহজৰত (ছাঃ)ৰ জীৱন দৰ্শন কাৰণ তেখেত (ছাঃ)ৰ হত্যা কাণ্ড সংগঠিত কৰা উদ্দেশ্য নাছিল।

এতিয়া যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম হল হজৰত ছোৱাইবিত বিন ছাআদ (ৰাঃ)। হজৰত ছোৱাইবিত (ৰাঃ) বনু আবদাদাৰ কবিলাৰ লোক আছিল।এখেত ইছলামৰ আৰম্ভনি যুগতেই ইছলাম গ্ৰহন কৰিছিল। বেছিভাগ জীৱনী পৰ্য্যালোচক সকলে এখেত (ৰাঃ)ক মুহাজেৰিণে হাবশা সকলৰ অন্তভুক্ত কৰে হজৰত ছোৱাইবিত (ৰাঃ) য়ে মদিনালৈ হিজৰত কৰিছিল। হজৰত ছোৱাইবিত বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল। হজৰত উম্মে ছালমা (ৰাঃ) বৰ্ণনা কৰিছে যে হজৰত আবু বক্কৰ (ৰাঃ) য়ে নবী কৰিম (ছাঃ) ৰ মৃত্যুৰ এবছৰ আগত স্বাম দেশৰ বছৰা অঞ্চলত ব্যাৱসায়ৰ নিমিত্তে গৈছিল। তেখেত (ৰাঃ) ৰ লগত নোৱায়মান আৰু ইবিত হৰমিলা (ৰাঃ) ও গৈছিল।এওঁলোকে দুয়োগনে বদৰৰ যুদ্ধত ছোৱায়বিত কৌতুক প্ৰিয় লোক আছিল, তেখেতে নোবায়মানক কৈছল যে মোক খাবলৈ দিয়া ,খোৱা-বোৱাৰ দায়িত্ব আছিল নোবায়মান (ৰাঃ) ৰ ওপৰত।সেয়ে তেখেত ৰাঃ য়ে কৈছিল যে যেতিয়ালৈকে হজৰত আবু বক্কৰ ৰাঃ নাহে, মই তোমাক খাবলৈ একো নিদিওঁ। তেতিয়া ছোবায়বিতে কৈছিল যে যদি তুমি এওঁলোকে গৈ আছিল তেতিয়া এটা সম্প্ৰদায়ৰ লোক এওঁলোকৰ ওচৰেদিদি পাৰ হৈ আছিল। ছোবায়বিতে তেওঁলোকক কৈছিল যে তোমালোকে মোৰ এজন দাস কিনি লবানে ? তেওঁলোকে কৈছিল হয় কিনিম বাৰু ছোৱায়বিতে তেওঁলোকক কৈছিল যে মনত ৰাখিবা, সেই দাস জনে কিন্তু কব মই স্বাধীন হৈছো, তেওঁ যেতিয়া তোমালোকক এয়া কব তোমালোকে কিন্তু তাক এৰি নিদিবা।তেতিয়া সেই লোকসকলে কৈছিল ঠিক আছে এৰি নিদিওঁ। তেতিয়া ছবায়বিতে নোমায়মানক দহটা উটৰ বিনিময়ত বেচি দিছিল। নোবায়মানে কৈছিল যে এওঁ তোমালোকৰ লগত ধেমালি কৰি আছে। মই স্বাধীন দাস নহয়।কিন্তু তেওঁলোকে কৈছিল যে তেওঁ তোমাৰ বিষয়ে তেখেত ৰাঃক বিৱৰি কৈছিল।লগে লগেই আবু বক্কৰ ৰাঃয়ে সেই সম্প্ৰদায়ৰ লোকৰ ওচৰত গৈছিল আৰু সিহঁতৰ উট বিলাক ঘূৰাই দি নোবায় মানক লৈ আহিছিল। হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছ যে এনেধৰণৰ ধেমালিত চাহাবা সকলৰ মাজত চলিছিল। যিয়েই নহওক যেতিয় এওলোকে উভতি নবী (ছাঃ)ৰ কাষত আহে আৰু তেখেত (ছাঃ) ক এই বিষয়ে জনায়, ৰাবী বৰ্ণনাকৰিছে যে নবী কৰিম (ছাঃ) য়ে আৰু চাহাবা সকলে এবছৰলৈকে তেখেতৰ সৈতে ধেমালি, কৌতুক কৰিছিল।

চাহাবা সকলৰ বিবষয়ে উল্লেখ কৰাৰ পিছত যি বিষয়টো মই উল্লেক কৰিব বিচাৰিছো সেয়া হল হজৰত নসীহ মাওউদ (আঃ)ৰ এটা ইলহাম অহিঙ্গী মাকানাকা।এই ইলহাম তেখেত (আঃ)ৰ প্ৰতি বিভিন্নসময়ত হৈছিল।আল্লাহ তায়লা যেতিয়া নিজৰ আম্বিয়া সকলক ইলহামৰ দ্বাৰা কোনো আদেশ দিয়ে যে এয়া কৰা, তেতিয়া তাৰ অৰ্থ এয়া হৈ থকে যে আল্লাহ তাৰ নিমিত্ত্বে নিজৰ সহায়ত আগবঢ়াব আৰু তাৰ নিমিত্তে স-সুবিধাৰও সৃষ্টি কৰিব। আকৌ এনেদৰেই সেয়া পূৰ্ণতা লাভ কৰিব।এতয়াই আমাৰ অভিজ্ঞতা আছে।

যেতিয়া হজৰত খলিফাতুল মছিহ ৰাৱে (ৰহঃ) য়ে ইয়ালৈ হিজৰত কৰি আহঁছিল, তেতিয়া আল্লাহ তায়লা অসাধাৰণ ভাবে উন্নতিৰ দৃশ্য প্ৰদৰ্শন কৰে আৰু ইছলামবাদত ২৫ একৰ জমিন জামাৰ আহমদীয়ায় কিনিবলৈ তৌফিক লাভ কৰে। হুয়াৰ পিছত আৰু ৬একৰ জমিন ইয়াৰ লগত যোগ হৈছে, যত জলছা অনুষ্ঠিত কৰা হয়। হজৰত খলিফাতুল মছিহ ৰাৱে (ৰহঃ) ৰহয়াতে জমাতৰ এখন কেন্দ্ৰ গঢ়ি তোলাৰ ইচ্ছা আছিল।যিয়েই নহওক আল্লাহ তায়ালা প্ৰত্যেক কামৰ বাবে এটা সময় নিৰ্দ্ধাৰণ কৰিছে। এতিয়া আল্লাহ তায়ালা ইছলামবাদত নিৰ্মান কাৰ্য্য সম্পাদন কৰাৰ তৌফিক দান কৰিছে। উত্তম সা-সুবিধাৰ সৈতে কিছুমান অফিচ নিৰ্মাণ কৰা হৈছে এখন মছজিদ নিৰ্মাণ কৰা হৈছে আৰু খলিফা ওয়াক্তৰ বাসগৃহ নিৰ্মাণ কৰা হৈছে। লগতে ওয়াকফে জিন্দেগী আৰু কৰ্মী সকলৰ বাবে ঘৰ বনোৱা হৈছে। এনেদৰে আল্লাহ তায়ালা ইছলামবাদৰ নিৰ্মান কাৰ্য্যৰ সৈতে তৌফিক দান কৰিছে। যত বৰ্তমানে প্ৰেছ বিভাগৰ কাম চলি আছে।¯এনেদৰে আল্লাহ তায়ালা ইছলামবাদৰ নিৰ্মান কাৰ্য্যৰ সৈতে এখন দুহমলীয়া (ফৰেইন হাউচ)নিৰ্মাণ কৰাৰ তৌফিক দান কৰিছে।

যত বৰ্তমানে প্ৰেছ বিভাগৰ কাম চলি আছে। এই বিল্ডিং দুই তিনি মাইল দুৰত অৱস্থিত ইয়াৰ লগত কেইটামান অফিচ আছে। আনহাতে খোদ্দামুল আহমদীয়াই এখন ডাঙৰ অট্টালিকা  কিনি লবলৈ সমৰ্থ লাভ কৰিছে। ইয়াৰ আগতে জলছা পথাৰৰ নিমিত্তে হাহিকাতুল মেহেদি কিনিবলৈ আল্লাহ্ তায়লা তৌফিক দান কৰিছে।আকৌ লণ্ডনৰ জামিয়াখন ইয়ালৈ স্থানান্তৰ কৰা হৈছে। ইয়াৰ বাবে প্ৰায় ত্ৰিশ একৰ জমিন লোৱা হৈছে।এই সকলোখিণি ঠাই ইছলামবাদৰ পৰা প্ৰায় ২০মিনিটৰ বাট দূৰত অৱস্থিত। ইছলামবাদৰ সৈতে এই ঠাইবোৰ কিনাৰ পৰিকল্পনাৰ আগতে কৰা হোৱা নাছিল বৰং এইবোৰ সকলো আল্লাহ তায়ালাৰ সিদ্ধান্ত আছিল যে এই সকলোখিনি ঠাই ওচৰা-ওচৰিকৈ এখন অঞ্চলতেই জমা হওঁক। আল্লাহ তায়ালা কেন্দ্ৰৰ সৈতে আন আন বস্তুবোৰও দান কৰিছে। জামিয়াও ওচৰতে হোৱা প্ৰয়োজন আছিল। গতিকে খলিফাৰ বাসগৃহ,বিভিন্ন অফিচ,মছজিদ আদি ইয়াতে নিৰ্মাণ হৈছে,সেয়ে ইনশা আল্লাহ অলপতে মই ইছলামবাদলৈ আহি যাম।¯দোৱা কৰক আল্লাহ তায়ালা যান এই সিদ্ধান্ত আৰু স্থানান্তৰ সকলো ফালেৰে কল্যান মণ্ডিত কৰে।(আমিন)

**********

# (BOOK POST PARINTED MATTER)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 12 April.. 2019**

**To**

---------------------------------------------------------------------------

-------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**